# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 08-07-2025
**Time :** 1800 HRS

## ***Assamese Evening Bulletin***

**- - - - - - - - - - - - - -**

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ নামভৰ্তিৰ বাবে আজিৰে পৰা ১২ জুলাইলৈ দৰ্পন প'ৰ্টেল পুনৰ মুকলি ৰখাৰ কথা ঘোষণা কৰিছে। সেই অনুসৰি পৰিষদে নামভৰ্তি সম্পৰ্কীয় সবিশেষ তথ্যৰ বাবে বিদ্যালয় শিক্ষা পৰিষদৰ সংমগুল দুইৰ ৱেবছাইট www.ahsec.assa.gov.in অথবা darpan.ahsec.online.inত চাবলৈ ছাত্ৰ-ছাত্ৰীসকলক আহ্বান জনাইছে। পৰিষদে নিৰ্দেশযোগে স্পষ্ট কৰি দিয়ে যে নিৰ্ধাৰিত সময়ৰ ভিতৰত ছাত্ৰ-ছাত্ৰীসকলে আবেদন প্ৰক্ৰিয়া সম্পন্ন কৰিব লাগিব। একেদৰে শিক্ষানুষ্ঠানসমূহে অহা ১৫ জুলাইৰ ভিতৰত নামভৰ্তিৰ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিব লাগিব। নামভৰ্তি প্ৰক্ৰিয়াক অফলাইন আবেদন কোনো পৰিস্থিতিতে গ্ৰহণ কৰা নহ'ব বুলি নিৰ্দেশনাটোত উল্লেখ কৰা হৈছে।

ooooo

প্ৰাগ সতীৰ্থ সহায় ন্যাসৰ উদ্যোগত আৰু জনগোষ্ঠীয় দল-সংগঠনৰ সহযোগত আজি ধেমাজিত সাংবাদিক নিগ্ৰহৰ বিৰুদ্ধে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা হয়। কাছাৰী ময়দানৰ সন্মুখত ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিত ৰূপায়িত প্ৰতিবাদী কাৰ্যসূচীত প্ৰাগ নিউজ আৰু দৈনিক জনমভূমি কাকতৰ তিনি শতাধিক সাংবাদিকৰ লগতে বিভিন্ন দল-সংগঠনৰ প্ৰতিনিধি, ছাত্ৰ সংগঠনৰ প্ৰতিনিধি আৰু ৰাইজে অংশগ্ৰহণ কৰে। চিলাপথাৰৰ সাংবাদিক মাধুৰ্য শইকীয়াক আক্ৰমণ কৰা দুৰ্বৃত্তক গ্ৰেপ্তাৰৰ দাবীত এই প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা হয়। প্ৰতিবাদী কাৰ্যসূচীত বিশিষ্ট সাংবাদিক প্ৰশান্ত ৰাজগুৰু, সঞ্জীৱ ফুকন আৰু দেৱজিৎ ভূঞাই অংশগ্ৰহণ কৰি সাংবাদিকক আক্ৰমণৰ এই ঘটনাক গৰিহণা দিয়ে। কাৰ্যসূচীৰ অন্তত প্ৰতিবাদকাৰীসকলে এখন দাবী সম্বলিত স্মাৰক পত্ৰ অতিৰিক্ত জিলা আয়ুক্তৰ জৰিয়তে মুখ্যমন্ত্ৰীলৈ প্ৰেৰণ কৰে।

ooooo

যোৰহাট জিলাত জাপানীজ এনকেফেলাইটিছ সদৃশ ৰোগৰ প্ৰাদুৰ্ভাৱ বৃদ্ধি পোৱাত জিলাখনৰ স্বাস্থ্য বিভাগে বিশেষ সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণ কৰিছে। জিলাখনত জাপানীজ এনকেফেলাইটিছ ৰোগত আক্ৰান্তৰ সংখ্যা ১৪ গৰাকীলৈ বৃদ্ধি হৈছে। যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতালত ইয়াৰে ৩ গৰাকী ৰোগীৰ মৃত্যু হোৱা বুলি স্বাস্থ্য বিভাগে জানিবলৈ দিয়ে। ৰোগৰ প্ৰাদুৰ্ভাৱ বৃদ্ধি পোৱাৰ প্ৰতি লক্ষ্য ৰাখি জিলা পৰ্যায়ৰ এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ অধীক্ষক, বিভিন্ন বিভাগৰ মুৰব্বী আৰু স্বাস্থ্য বিষয়া উপস্থিত থকা এই বৈঠকত বাহকজনিত ৰোগৰ সজাগতা সন্দৰ্ভত আলোচনা কৰা হয়।

ooooo

টিংখাং সমষ্টিৰ ছাত্ৰ-ছাত্ৰীসকলৰ দক্ষতা বিকাশৰ বাবে স্বেচ্ছাসেৱী ন্যাস গ্ৰ'থ ফ্ৰম গ্ৰাছ ৰুটছৰ উদ্যোগত আৰু বিধায়ক শৈক্ষিক উপদেষ্টা সমিতিৰ সহযোগত আজিৰে পৰা অন্বেষণ কৰ্মশালা অনুষ্ঠিত হৈছে। উদ্যোগ আৰু বাণিজ্য মন্ত্ৰী তথা টিংখাং সমষ্টিৰ বিধায়ক বিমল বৰাই উদ্বোধন কৰা এই কৰ্মশালাত কেন্দ্ৰীয়

মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ভিডিঅ' কনফাৰেন্সিঙৰ জৰিয়তে ভাষণ দিয়ে। নিজৰ ভাষণত শ্ৰীসোণোৱালে এই ধৰণৰ অভিনৱ পদক্ষেপে শিক্ষাৰ্থীসকলৰ মনোবল, অধ্যৱসায় আৰু দক্ষতা বৃদ্ধিৰ জৰিয়তে প্ৰতিযোগিতাৰ পৃথিৱীত আগুৱাই যোৱাত সহায় কৰিব বুলি মন্তব্য কৰে। ছাত্ৰ-ছাত্ৰীক ভৱিষ্যমুখী চিন্তা-চেতনাৰে উদ্ভাসিত কৰাৰ ক্ষেত্ৰত এয়া এক উল্লেখনীয় পদক্ষেপ বুলিও মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। অনুষ্ঠানত সমষ্টিটোৰ অধীনৰ বিদ্যালয়সমূহৰ ভালেসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে।

ooooo

শোণিতপুৰ জিলাৰ গোলাপ বৰবৰা ৰাজ্যিক গ্ৰামোন্নয়ন প্ৰশিক্ষণ কেন্দ্ৰত আজিৰে পৰা পাঁচদিনীয়াকৈ পঞ্চায়তৰ প্ৰতিনিধিসকলৰ প্ৰশিক্ষণ অনুষ্ঠিত হৈছে। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে জিলাখনৰ ৭৫গৰাকী নিৰ্বাচিত সভাপতি আৰু সভানেত্ৰীৰ প্ৰশিক্ষণ কাৰ্য উদ্বোধন কৰে। মন্ত্ৰীগৰাকীয়ে অনাগত দিনত পঞ্চায়তসমূহত সুশাসন প্ৰৱৰ্তন কৰাৰ বাবে নিষ্ঠাৰে কাম কৰিবলৈ প্ৰতিনিধিসকলৰ প্ৰতি আহ্বান জনায়। অনুষ্ঠানত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ সচিব মুনীন্দ্ৰ শৰ্মা, শোণিতপুৰ জিলাৰ অতিৰিক্ত আয়ুক্ত জয়ন্ত গোস্বামীৰ লগতে বিভাগীয় বিষয়াসকল উপস্থিত থাকে। উল্লেখযোগ্য যে ৰাজ্যৰ মুঠ দুহেজাৰ ১৯২গৰাকী সভাপতি-সভানেত্ৰীৰ উপৰি আঞ্চলিক পঞ্চায়তৰ ৩৬৩ গৰাকী সভাপতি-উপসভাপতি আৰু জিলা পৰিষদৰ ৩৯৭ গৰাকী সদস্য জিলাভিত্তিত প্ৰশিক্ষণ প্ৰদান কৰা হ'ব। গাঁও পঞ্চায়তৰ নিৰ্বাচিত ২১ হাজাৰ ৫৯৮গৰাকী সদস্যকো জিলাভিত্তিত প্ৰশিক্ষণ প্ৰদান কৰা হ'ব। পৰ্যায়ক্ৰমে হ'বলগীয়া এই প্ৰশিক্ষণ কাৰ্যসূচী অহা ৮ ডিচেম্বৰত সামৰণি পৰিব।

ooooo

শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি বিশ্বনাথ জিলাৰ মাজুলীগড় অঞ্চলত নিৰ্মাণ কৰা আদৰ্শ আৱাসিক বিদ্যালয় পৰিদৰ্শন কৰে। প্ৰধানমন্ত্ৰী জন বিকাশ কাৰ্যক্ৰম আঁচনিৰ অধীনত নিৰ্মাণ কৰা এই বিদ্যালয়খনে জিলাখনৰ চাহ বাগিচা অঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলক উপকৃত কৰিব। সদৌ অসম চাহ জনজাতি ছাত্ৰ সন্থা আৰু অঞ্চলটোৰ ৰাইজে এই আৱাসিক বিদ্যালয়খন আদৰ্শ মহাবিদ্যালয় হিচাপে গঢ়ি তোলাৰ বাবে শিক্ষামন্ত্ৰীগৰাকীক আহ্বান জনায়। ডাঃ পেগুৱে এই শিক্ষানুষ্ঠানখনক পৰৱৰ্তী সময়ত পলিটেকনিক মহাবিদ্যালয় হিচাপে গঢ়ি তোলা হ'ব বুলি উল্লেখ কৰে। শিক্ষানুষ্ঠানখনত অহা বৰ্ষত পাঠদান আৰম্ভ হ'ব বুলি তেওঁ লগতে জানিবলৈ দিয়ে।

ooooo

সমাপ্ত